**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে এতিয়ালৈ ৩৫ খন জিলাৰ ১১৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল। ২৩ মাৰ্চ মনোনয়ন দাখিলৰ অন্তিম দিন।

২। মনোনয়ন দাখিলৰ বাবে মাজত মাঁথো দুটা দিন থকা অৱস্থাত কংগ্ৰেছৰ চতুৰ্থখন প্ৰাৰ্থী তালিকা প্ৰকাশ। তৃণমূল কংগ্ৰেছৰো ১৭ টা সমষ্টি সন্নিবিষ্ট কৰি প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ।

৩। অনুপ্ৰৱেশৰ সৈতে যুঁজাৰ কোনো সহজ উপায় নাই বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৪। ৰাজ্যজুৰি আজি উলহ মালহেৰে ঈদ-উল-ফিটৰ পালন।

*আৰু*

৫। অৰ্লেন্স মাষ্টাৰ্ছৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত আজি থাইলেণ্ডৰ পিটচামন অপাটনিপুথৰ বিৰুদ্ধে অসম সন্তান ঈষাৰাণী বৰুৱাৰ মুখামুখি।

ooooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কালি বিজেপিকে ধৰি কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফকে ধৰি কেইবাটাও ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

ৰাজ্যখনৰ প্ৰায় আটাইকেইখন জিলাৰ কেইবাটাও সমষ্টিত কালি ১০৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। এতিয়ালৈকে ১১৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ প্ৰাৰ্থী হিচাপে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জালুকবাৰী সমষ্টিৰ প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰাৰ লগতে, জাগীৰোড সমষ্টিৰ বাবে মন্ত্ৰী পীযুষ হাজৰিকাই মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই নাজিৰা সমষ্টিৰ বাবে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত, ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে শিৱসাগৰ সমষ্টিৰ বাবে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। নাজিৰা সমষ্টিৰ বিজেপি প্ৰাৰ্থী ময়ুৰ বৰগোহাঁইয়েও কালি শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে।

একেদৰে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ বাবে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

আনহাতে, কালিৰ দিনটোতে ৰাইজৰ দলৰ জ্ঞানশ্ৰী বৰাই মৰিয়নি সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখাং বিধানসভা সমষ্টিৰ প্ৰাৰ্থী বিপুল গগৈ, নাহৰকটীয়া বিধানসভা সমষ্টিৰ প্ৰাৰ্থী প্ৰণতি ফুকন, দুলীয়াজান বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি গগৈ, চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰ, ডিব্ৰুগড় সদৰ সমষ্টিৰ বিৰোধী ঐক্যৰ উমৈহতীয়া প্ৰাৰ্থী মৈনাক পাত্ৰই কালিৰ দিনটোতে মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ ৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ঢেকিয়াজুলিৰ বিজেপি প্ৰাৰ্থী অশোক সিংহল, বৰছলাৰ বিজেপি প্ৰাৰ্থী ঋতুবৰণ শৰ্মা, ৰঙাপৰাৰ বিজেপি প্ৰাৰ্থী কৃষ্ণকমল তাঁতী, নদুৱাৰৰ বিজেপি প্ৰাৰ্থী পদ্ম হাজৰিকা, বৰছলাৰ কংগ্ৰেছ প্ৰাৰ্থী ৰিপুণ বৰা, এছ ইউ চি আইৰ চম্পা কুৰ্মী আৰু তেজপুৰৰ এছ ইউ চি আইৰ প্ৰাৰ্থী নয়নমণি চৌধুৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

উল্লেখযোগ্য যে অহা ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন।

ooooooo

নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে কালি নিশা ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে চতুৰ্থখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক কে চি বেণুগোপাল স্বাক্ষৰিত তালিকা অনুসৰি জালুকবাৰী সমষ্টিত বিদিশা নেওগ, টংলাত ৰোহিত পাৰিগা, বিশ্বনাথত জয়ন্ত বৰা, নাওবৈচাত ড০ জয়প্ৰকাশ দাস, মাহমৰাত জ্ঞানদীপ মহন, তিতাবৰত প্ৰাণ কুৰ্মী আৰু হাইলাকান্দি সমষ্টিত ৰাহুল ৰয়ক কংগ্ৰেছৰ প্ৰাৰ্থীত্ব দিয়া হৈছে। একেখন তালিকাতে কংগ্ৰেছে ১১ টা সমষ্টিক বিৰোধী ঐক্যৰ সহযোগী ৰাইজৰ দলক প্ৰতিদ্বন্দ্বিতাৰ বাবে দিছে। ৰাইজৰ দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলগীয়া সমষ্টিকেইটা হৈছে- মানস, দলগাঁও, ধিং, কলিয়াবৰ, তেজপুৰ, চিচিবৰগাঁও, মাৰ্ঘেৰিটা, ডিগবৈ, শিৱসাগৰ, মৰিয়নি আৰু বোকাখাট। আনহাতে ৰাইজৰ দলে কালি শিৱসাগৰ সমষ্টিৰ প্ৰাৰ্থী হিচাপে অখিল গগৈৰ নাম উল্লেখ কৰি এখন এজনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে।

ooooooo

বিধানসভা নিৰ্বাচনৰ বাবে তৃণমূল কংগ্ৰেছে কালি প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। ১৭ জনীয়া প্ৰাৰ্থী তালিকা অনুসৰি বাওখাংগ্ৰি সমষ্টিত উদাংশ্ৰী নাৰ্জাৰী, বিলাসীপাৰাত মমিনুৰ ইছলাম, জলেশ্বৰত আৰিফ আখটাৰ আহমেদ, অভয়াপুৰীত কৌশিক ৰঞ্জন দাস, বজালীত কল্যাণী কলিতা, চমৰীয়াত দুলু আহমেদ, বকো- ছয়গাঁৱত ভোগলাল ৰাভা, পলাশবাৰীত বিকাশ নাথ যোগী, বৰক্ষেত্ৰীত আমিৰুল ইছলাম, গোৰেশ্বৰত ৰঞ্জন চৌহান, মঙলদৈত হৰেকৃষ্ণ ডেকা, ধেমাজিত নৰেন্দ্ৰ কুমাৰ পাও, ডিগবৈত জীতেন নাগ, মাকুমত দিলীপ মৰাণ, উদাৰবন্দত তপন দাস, কাতিগড়াত ফজলুৰ ৰহমান লস্কৰ আৰু সোণাইত চাহজাহান লস্কৰক প্ৰাৰ্থীত্ব দিয়া হৈছে।

ooooooo

অনুপ্ৰৱেশৰ সৈতে যুঁজাৰ কোনো সহজ উপায় নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ অনুপ্ৰৱেশৰ সমস্যা সন্দৰ্ভত এই মন্তব্য কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে অসমে অনুপ্ৰৱেশৰ বিৰুদ্ধে সবলভাৱে যুঁজ দিব লাগিব। অন্যথা অনুপ্ৰৱেশৰ ওচৰত আত্মসমৰ্পণৰ গত্যন্তৰ নাথাকিব। সেয়ে অসমবাসীয়ে এই যুঁজত জয়ী হ'বই লাগিব।

বাইট (চি এম)

ooooooo

ৰাজ্যজুৰি আজি পৱিত্ৰ ঈদ-উল-ফিটৰ উলহ মালহেৰে পালন কৰা হৈছে। মাহ জোৰা উপবাসৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ পালনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ঈদ উপলক্ষে আজি ঈদগাহ আৰু মছজিদসমূহত পৱিত্ৰ নামাজৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ গাড়ীগাঁও ঈদগাহ ময়দান, জালুকাৰী, মাছখোৱা, ইছলামপুৰ, হাতীগাঁও-শিজুবাৰী ইদগাহ, পাঞ্জাবাৰী, দক্ষিণগাঁৱকে ধৰি বিভিন্ন ঈদগাহ-মছজিদসমূহত নামাজৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। গোৱালপাৰা জিলাৰো বিভিন্ন স্থানত পুৱাৰে পৰা ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হৈছে। শিলচৰ চহৰৰ মূল ঈদগাহ, ইটখোলা ঈদগাহতো সমূহীয়া নামাজৰ আয়োজন কৰা হৈছে। ঈদক লৈ চহৰখনত বিৰাজ কৰা পৰিৱেশ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা আঁখীৰাণী দাস–

(বাইট)

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমগ্ৰ দেশৱাসীক ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱে আত্ম নিয়ন্ত্ৰণ, সেৱা আৰু দৰিদ্ৰ তথা অৱহেলিত লোকসকলৰ প্ৰতি সহানুভূতিৰ বাৰ্তা প্ৰেৰণ কৰে। এই উৎসৱে প্ৰেম, ভাতৃত্ব আৰু শান্তিৰ বাৰ্তাও প্ৰেৰণ কৰে বুলি তেওঁ কয়।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইয়ো ঈদ-উল-ফিটৰ উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীবিৰলাই এই পৱিত্ৰ উৎসৱে সকলোৰে বাবে সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো ৰাজ্যবাসীলৈ ঈদৰ শুভেচ্ছা জনাইছে।

০০০০০০০

ইউ পি পি এল ত্যাগ কৰি কালি কোকৰাঝাৰত প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই আনুষ্ঠানিকভাৱে বি পি এফত যোগদান কৰে। বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়োৱেও ইউ পি পি এল ত্যাগ কৰি বি পি এফত যোগদান কৰে। উল্লেখযোগ্য যে ইউ পি পি এলৰ বিধায়ক ভূপেন বড়ো আৰু প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মক এইবাৰ দলটোৱে প্ৰাৰ্থিত্ব দিয়া নাছিল। ইপিনে, মধ্য গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থিত্বৰ দাবীদাৰ অসম গণ পৰিষদৰ নেতা তথা পূৰ্বৰ পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই দলীয় প্ৰাৰ্থিত্ব নাপাই দলৰ সকলো বিষয়বাব ত্যাগ কৰি অগপৰ সভাপতি অতুল বৰালৈ এখন পত্ৰ প্ৰেৰণ কৰে।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলাৰ সাধাৰণ পৰ্যবেক্ষকদ্বয় হিমশেখৰ গুপ্তা আৰু প্ৰদীপ কৃষ্ণাৰাও দাংগেই কালি মহানগৰীৰ বেটকুছিৰ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰ পৰিদৰ্শন কৰে। এই দুয়োগৰাকী পৰ্যবেক্ষকৰ লগত আৰক্ষী পৰ্যবেক্ষক আছলাম খান আৰু ব্যয় পৰ্যবেক্ষকদ্বয় ৰত্ন প্ৰকাশ তথা ৰজত সেনো উপস্থিত থাকে। নিৰ্বাচনৰ সময়ত ব্যৱহাৰ হ'বলগীয়া ষ্টং ৰূমকে ধৰি ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ যাৱতীয় দিশসমূহ পৰ্যবেক্ষকগৰাকীয়ে পৰ্যালোচনা কৰে। এই পৰিদৰ্শনকালত কামৰূপ মহানগৰৰ জিলা নিৰ্বাচনী বিষয়া স্বপ্নীল পাল উপস্থিত থাকে।

নিৰ্বাচন আয়োগে জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দৰং নিৰ্বাচনী জিলাৰ অধীনৰ সকলো কাৰ্যালয়ৰ মুৰব্বী, পি এছ ইউ, বেংক কৰ্তৃপক্ষক নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত ৰবিবাৰ আৰু ঘোষিত ছুটিৰ দিনতো কাৰ্যালয় খোলা ৰাখিবৰ বাবে দৰং জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত আয়ুশী জৈনে জাৰি কৰা এই নিৰ্দেশনা দেশৰ নিৰ্বাচন আয়োগৰ সামগ্ৰিক তত্বাৱধান, দিশ নিৰ্দেশ আৰু নিয়ন্ত্ৰণৰ অধীনত বলবৎ কৰা হৈছে। ইয়াৰ লগতে তেনেধৰণৰ

বন্ধৰ দিনবোৰত অন্তত এজন কাৰ্যালয় সহায়ক আৰু এজন চতুৰ্থবৰ্গৰ কৰ্মচাৰী কাৰ্যালয়ত উপস্থিত থকাটো নিশ্চিত কৰিব লাগিব। এই নিৰ্দেশনা উলংঘন হ'লে বা পালন কৰাত ব্যৰ্থ হলে সংশ্লিষ্ট চৰকাৰী বিষয়া, কৰ্মচাৰীৰ বিৰুদ্ধে নিৰ্বাচন আয়োগৰ পৰামৰ্শ অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা আয়ুক্তৰ নিৰ্দেশনাত উল্লেখ আছে।

0000000

টীয়ক আৰু যোৰহাট বিধানসভা সমষ্টিৰ বাবে নিয়োজিত সাধাৰণ পৰ্যবেক্ষক, ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া শিল্পা প্ৰভাকৰ সতীশে কালি টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন ভোটকেন্দ্ৰ পৰিদৰ্শন কৰাৰ লগতে নিৰ্বাচনী প্ৰস্তুতিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনকালত পৰ্যবেক্ষকগৰাকীয়ে ভোটদাতাসকলৰ সুবিধাৰ্থে ভোটকেন্দ্ৰসমূহত থকা মৌলিক সা-সুবিধা, নিৰাপত্তা ব্যৱস্থা আৰু অন্যান্য প্ৰয়োজনীয় দিশসমূহ পৰ্যবেক্ষণ কৰে।

ইয়াৰ লগতে বিধানসভা সমষ্টি দুটাৰ বাবে নিয়োজিত ব্যয় পৰ্যবেক্ষক জ্যোতি কিৰণেও কালি সমষ্টি দুটাৰ অন্তৰ্গত ষ্টেটিক ছাৰ্ভিলেন্স গোট থকা স্থানসমূহ পৰিদৰ্শন কৰি কাম-কাজৰ পৰ্যবেক্ষণ কৰে।

0000000

লখিমপুৰ জিলাৰ বিভিন্ন মহাবিদ্যালয়ত কালি নিৰ্বাচনী সজাগতা সন্দৰ্ভত বিশেষ অভিযান চলোৱা হয়। এই অভিযানৰ অধীনত সমাগত বিধানসভা নিৰ্বাচনৰ জনসাধাৰণৰ অধিক অংশগ্ৰহণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে তেওঁলোকক সজাগ কৰাৰ দিশত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়।

0000000

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **অসম বিধানসভা নিৰ্বাচন-২০২৬** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত বিজেপিৰ মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মা আৰু কংগ্ৰেছৰ মুখপাত্ৰ ৰূপক দাস অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব অৰূপ কুমাৰ শৰ্মা আৰু অৰুণিমা গোস্বামীয়ে।

0000000

অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কলিতাক ভাৰতীয় বক্সিং ফেডাৰেচন বি এফ আইৰ উপদেষ্টা হিচাপে নিযুক্তি দিয়া হৈছে। কালি নতুন দিল্লীত বি এফ আইৰ সভাপতি অজয় সিঙে তেওঁক নিযুক্তি দিয়ে। কলিতাই এতিয়াৰে পৰা বক্সিং আৰু বি এফ আইৰ সভাপতিৰ লগত ঘনিষ্ঠভাৱে কাম কৰিব।

0000000

ফ্ৰান্সত চলি থকা অৰ্লেন্স মাষ্টাৰ্ছৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ এখন ছেমি ফাইনেলত আজি সন্ধিয়া ভাৰতৰ তনভি শৰ্মা জাপানৰ নজমি অকুহাৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কালি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেল তনভিয়ে জাপানৰ নাটচুকি নিদাইৰাক ২১-১৪, ২১-১৪ গেমত পৰাস্ত কৰে। আন এখন চেমিফাইনেলত আজি সন্ধিয়া ৫ বজাত অসম সন্তান ঈষাৰাণী বৰুৱাই থাইলেণ্ডৰ পিটচামন অপাটনিপুথৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। তেওঁ কোৱাৰ্টাৰ ফাইনেলত মালৱিকা বানছুড়ক ২১-৯, ১৫-৭ গেমত পৰাস্ত কৰি চেমি ফাইনেলত স্থান নিশ্চিত কৰে।

0000000

News Paper Rev/21-3-26

সমাগত অসম বিধান সভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন সমষ্টিত প্ৰাৰ্থী সকলে মনোনয়ন পত্ৰ দাখিল কৰা পৰ্ব অব্যাহত আছে। এই সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত আটাইকেইখন কাকতে বিভিন্ন বাতৰি ভিন ভিন শিৰোনামেৰে আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। ২৪ মাৰ্চত অসম চৰকাৰে পুনৰ ৫০০ কোটি টকাৰ ঋণ লব। এই বাতৰিটোক অসমীয়া প্ৰতিদিন কাকতে ছবিখনলৈ পৃষ্ঠাত প্ৰকাশ কৰিছে। বৰষুণে অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰত প্ৰভাৱ পেলোৱাৰ আশংকা আছে। ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰৰ উদ্ধৃতিৰে the Assam TRIBUNE কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইৰাণ যুদ্ধৰ পৰিণতিত ভাৰতকে ধৰি বিশ্বৰ বহু অংশ ইণ্টাৰনেট বিচ্ছিন্ন হোৱাৰ আশঙ্কা প্ৰকাশ পাইছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পত্নীৰ প্ৰিমিয়াম পেট্ৰলৰ মূল্য দুটকাকৈ বৃদ্ধি হৈছে। এই বাতৰিটোও প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পত্নীৰ সৈতে বিগত ৫ বছৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ যৌথ সম্পত্তি ৩৫.১৬ কোটি টকালৈ বৃদ্ধি হৈছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জ্যেষ্ঠ অগপ নেতা ৰমেন্দ্ৰ নাৰায়ণ কলিতাই দলৰ সকলো বিষয় বাবৰ পৰা পদত্যাগ কৰিছে। এই বাতৰিটো দৈনিক অসম আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

0000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৮ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল আৰু মেঘালয়ৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। একেদৰে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

0000000

*ঃঃ সমাপ্ত ঃঃ*